# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। ৰাজভৱনৰ সন্মুখত কোনোধৰণৰ বিক্ষোভ কাৰ্যসূচীৰ বাবে এতিয়াৰে পৰা অনুমতি প্ৰদান কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীৰ কেৰালা আৰু পশ্চিমবংগৰ আৰক্ষীৰ যুটীয়া অভিযানত মৌলবাদী সংগঠনৰ ৮ জন সদস্যক গ্ৰেপ্তাৰ।

৩। অসমত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্যিক নিৰ্বাচন আয়োগক ৯ জানুৱাৰী পৰ্যন্ত নিষেধাজ্ঞা আৰোপ।

৪। গুৱাহাটী আৰু ৰাজ্যখনৰ ৰে'ল যোগাযোগ ব্যৱস্থা উন্নীত কৰিবলৈ গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিৰ ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক আহ্বান।

**আৰু**

৫। নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেলত আজি ভাৰত ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

ৰাজভৱনৰ সন্মুখত কোনোধৰণৰ বিক্ষোভ কাৰ্যসূচীৰ বাবে এতিয়াৰে পৰা অনুমতি প্ৰদান কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গুৱাহাটীৰ ৰাজভৱনৰ সমীপত কালি সংঘটিত ঘটনা সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যপালৰ সাংবিধানিক পদ মৰ্যাদা দলীয় ৰাজনীতিৰ উৰ্ধত আৰু কংগ্ৰেছ দলৰ নেতাসকলে আৰক্ষীৰ বেষ্টনী ভংগ কৰি ৰাজভৱনত বলপূৰ্বকভাৱে প্ৰৱেশৰ চেষ্টা কৰি কালি বিশৃংখলতাৰ সৃষ্টি কৰিছিল। আৰক্ষীয়ে এজাহাৰ পঞ্জীয়ন কৰি এই সন্দৰ্ভত ৰেকৰ্ড হোৱা ভিডিঅ' পৰ্যালোচনাৰ লগতে অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। ড০ শৰ্মাই স্পষ্ট কৰি দিয়ে যে প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে ইতিপূৰ্বে গুৱাহাটী মহানগৰীত নিৰ্দিষ্ট স্থান নিৰ্ধাৰণ কৰি দিয়া হৈছে আৰু যিকোনো প্ৰতিবাদ উপযুক্ত কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে এই স্থানত কৰিবলৈ দিয়া হয়।

ইপিনে ৰাজধানী দিছপুৰত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে গুৱাহাটী পূব আৰক্ষী জিলাৰ উপ-আয়ুক্ত মৃণাল ডেকাই কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। ৰাজধানী চৌহদৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ৫ জনৰ

অধিক লোকৰ সমাগম আৰু অনুমতি অবিহনে প্ৰতিবাদ, শোভাযাত্ৰা আৰু শ্ল'গান দিয়াত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জনসাধাৰণৰ শান্তি বিঘ্নিত কৰা কাৰ্যকলাপ আৰু অযথা জনসমাগম নিষিদ্ধ কৰাৰ ক্ষমতা কৰ্তৃপক্ষক দিয়া হৈছে।

ooooo

কংগ্ৰেছ দলে কালি গুৱাহাটীৰ ৰাজভৱন চলো অভিযানৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কৰ্তব্যৰত সাংবাদিক আইন-শৃংখলা ৰক্ষাকাৰী আৰক্ষীৰ হাতত আহত হোৱা ঘটনাৰ প্ৰতিবাদত আজি ৰাজ্যখনৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবত আজি দুপৰীয়া ইয়াৰ প্ৰতিবাদৰ বাবে এখন সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত গুৱাহাটীৰ বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ শতাধিক সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰে। সংবাদকৰ্মীসকলে এই ঘটনাক গৰিহণা দিয়াৰ লগতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নকৰিবলৈ আৰু সাংবাদিকসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আহ্বান জনায়। হাজো আৰু ৰঙিয়াতো স্থানীয় সাংবাদিকসকলে এই ঘটনাৰ প্ৰতিবাদত কাৰ্যসূচী গ্ৰহণ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি কংগ্ৰেছ দলৰ ৰাজভৱন চলো অভিযানকালত আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ ফলত মৃদুল ইছলাম নামৰ এজন কংগ্ৰেছ কৰ্মী আহত হৈছিল আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হৈছিল। এই ঘটনাত এটা বৈদ্যুতিন চেনেলৰ এজন জ্যেষ্ঠ সাংবাদিককে ধৰি কেইবাজনো সাংবাদিকো আহত হৈছিল।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কেৰালা আৰু পশ্চিমবংগৰ আৰক্ষীৰ সৈতে যুটীয়াভাৱে চলোৱা অভিযানত ৮ জন মৌলবাদী সংগঠনৰ সদস্যক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ ভিতৰত কেৰালাৰ পৰা গ্ৰেপ্তাৰ কৰা এজন অভিযুক্ত বাংলাদেশী নাগৰিক বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। **প্ৰঘাত** নামৰ অভিযানৰ অধীনত চোৰাংচোৱাৰ তথ্যৰ পম খেদি আৰক্ষীয়ে ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপ প্ৰতিহত কৰাৰ চেষ্টা চলায়। আজি গুৱাহাটীৰ উলুবাৰী অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আয়োজিত সংবাদমেলত আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙে আৰক্ষী মহাপৰিদৰ্শক পাৰ্থসাৰথি মহন্তৰ উপস্থিতিত এই বিষয়ে প্ৰকাশ কৰে-

**বাইট (হৰমিত সিং)**

গ্ৰেপ্তাৰ কৰা লোককেইজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথি-পত্ৰ, মোবাইল ফোন আৰু কাৰিকৰী তথ্য প্ৰমাণ জব্দ কৰা হৈছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। এই তথ্য প্ৰমাণসমূহৰ পৰা আৰক্ষীয়ে এই লোককেইজনৰ বাংলাদেশ আৰু পাকিস্তানৰ কেতবোৰ সন্দেহজনক গোটৰ সৈতে সঘনে যোগাযোগ থকা বুলি নিশ্চিত হৈছে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওপৰত ৯ জানুৱাৰীলৈকে নিষেধাজ্ঞা আৰোপ কৰিছে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে পঞ্চায়তৰ সমষ্টি পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত যোৱা ৩ আগষ্টত জাৰি কৰা অধিসূচনাৰ প্ৰত্যাহ্বান জনাই জাৰি কৰা কেইবাখনো লেখ আবেদন সন্দৰ্ভত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে ১৭ ডিচেম্বৰত এই নিৰ্দেশ জাৰি কৰে। আবেদনকাৰী সকলে কোনো এটা অঞ্চলত বৃহৎ জনসংখ্যা একেখন পঞ্চায়তৰ অধীনত অন্তৰ্ভুক্ত কৰাকে ধৰি

কেইবাটাও সংশোধিত বিধিৰ বৈধতাৰ প্ৰত্যাহ্বান জনাইছিল। আদালতে এই গোচৰটোৰ পৰৱৰ্তী শুনানীৰ দিন অহা ৯ জানুৱাৰী ধাৰ্য কৰে আৰু তেতিয়ালৈকে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে।

০০০০০

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে আজি নতুন দিল্লীত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি অসমত ৰে'লসেৱাৰ সা-সুবিধা বৃদ্ধি কৰিবলৈ অনুৰোধ জনায়। ৰে'লমন্ত্ৰীৰ হাতত অৰ্পণ কৰা এখন স্মাৰকপত্ৰত সাংসদগৰাকীয়ে গুৱাহাটী ৰে'ল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে নিউ গুৱাহাটীত থকা ভাৰতীয় খাদ্য নিগমৰ গুদামৰ ভূমি অধিগ্ৰহণৰ সম্ভাৱনীয়তা বিচাৰ কৰিবলৈ ৰে'লমন্ত্ৰীক অনুৰোধ জনায়। গুৱাহাটীৰ পৰা দেশৰ বিভিন্ন প্ৰান্তলৈ যাত্ৰা কৰা ৰে'লগাড়ীসমূহ ঘূৰিপকি যোৱা পথৰ পৰিৱৰ্তে হ্ৰস্বতম পথেৰে চলাচল কৰা, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত পুনৰ শতাব্দী এক্সপ্ৰেছ চলাচল কৰা, গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছখন পুৱাৰ ভাগত গুৱাহাটীৰ পৰা চলাচল কৰোৱা, ক'ভিডকালত বন্ধ কৰা ৰে'লগাড়ীসমূহ পুনৰ প্ৰৱৰ্তন কৰা আৰু গুৱাহাটীৰ পৰা স্থানীয় ৰে'লগাড়ীৰ চলাচল আৰম্ভ কৰা আদি কেইবাটাও দাবী সম্পৰ্কত সাংসদগৰাকীয়ে ৰে'লমন্ত্ৰীক অৱগত কৰায়। ৰে'লমন্ত্ৰী বৈষ্ণৱে সাংসদগৰাকীৰ দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে।

০০০০০

এই বছৰৰ সংস্কৃত ভাষাত সাহিত্য একাডেমী পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে বিশিষ্ট পণ্ডিত তথা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মা। তেওঁৰ কাব্যগ্ৰন্থ **ভাস্কৰ চৰিতম**ৰ বাবে এই পুৰস্কাৰ লাভ কৰিছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত ড০ শৰ্মাই তেওঁৰ অনুভৱ এইদৰে ব্যক্ত কৰে।

ঃবাইটঃ

০০০০০

ৰাজ্য চৰকাৰে যোৱা ১১ ডিচেম্বৰত আৰম্ভ কৰা বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়নমূলক কাৰ্যসূচীৰ আজি এসপ্তাহ সম্পূৰ্ণ হৈছে। বিগত সপ্তাহত বিভিন্ন জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩২ হাজাৰ ৫৬২ গৰাকী ছাত্ৰ-ছাত্ৰী  উপকৃত হৈছে। তদুপৰি ২ লাখ ১৩ হাজাৰৰো অধিক নৱম শ্ৰেণীৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল প্ৰদান কৰা হৈছে। ১৮ হাজাৰ ৯৯৭ গৰাকী ছাত্ৰ-ছাত্ৰীক এই সময়ছোৱাত আনন্দৰাম বৰুৱা বঁটাৰ অধীনত বেংক একাউণ্টযোগে আৰ্থিক উদগণি প্ৰদান কৰা হৈছে। একেদৰে অসম মাইক্ৰ'ফাইনেন্স  উদগণি আৰু সকাহ আঁচনিৰ অধীনত ৪৭ হাজাৰ ৬৭৬ গৰাকী  মহিলাক ঋণমুক্তিৰ প্ৰমাণ পত্ৰ বিতৰণ কৰা হৈছে। বান ক্ষতিগ্ৰস্ত ৩ হাজাৰৰো অধিক লোকক আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ বাবে ৪ হাজাৰ ছশৰো অধিক লোকক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। চৰকাৰে এই সময়ছোৱাত প্ৰায় ১২ লাখ লোকক উন্নয়নমূলক আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে।

জলসিঞ্চন মন্ত্ৰী তথা ঢেকিয়াজুলিৰ বিধায়ক অশোক সিংহালে আজি শোণিতপুৰ জিলাৰ ৩ হাজাৰ ১৪০গৰাকী হিতাধিকাৰীক ঋণমুক্ত প্ৰমাণ-পত্ৰ বিতৰণ কৰাৰ লগতে সমষ্টিটোৰ ৭৮ গৰাকী অনগ্ৰসৰ লোকক আৰ্থিক সাহায্যৰ

চেক বিতৰণ কৰে। শিৱসাগৰ জিলাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি পৰিবহন মন্ত্ৰী যোগেন মহনে দুহেজাৰ ৮৪৫গৰাকী ঋণীলৈ ঋণমুক্তি প্ৰমাণ-পত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত ১৮৬টা পৰিয়াললৈ পোনপটীয়াকৈ আৰ্থিক সাহায্য হস্তান্তৰ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ অধীনত ৮৬গৰাকী হিতাধিকাৰীক আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰে।

০০০০০

ৰাজ্যত প্ৰতি বছৰে বানৰ সময়ত হোৱা দুৰ্যোগ প্ৰতিৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত আজি ৰাজ্যজুৰি এলানি অনুশীলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই আজি এলানি অনুশীলন কাৰ্যসূচী ৰূপায়ণ কৰে। সেই অনুসৰি জিলাখনৰ বিভিন্ন স্থানক মঞ্চায়ন এলেকা, বানপীড়িত লোকৰ অনুসন্ধান আৰু উদ্ধাৰ অভিযান এলেকা, সাহায্য শিবিৰ, চিকিৎসা প্ৰদান কেন্দ্ৰ হিচাপে লৈ ফিল্ড ড্ৰীল আৰু আখৰামূলক অনুশীলন অনুষ্ঠিত কৰা হয়। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দুগৰাকী পৰ্যবেক্ষকে এই অনুশীলন কাৰ্যসূচী সূক্ষ্মভাৱে নিৰীক্ষণ কৰে।

বৰপেটা জিলাতো আজি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত বানত আবদ্ধ লোকক উদ্ধাৰৰ আখৰামূলক অনুশীলন কৰা হয়। বৰপেটাৰ চাউলখোৱা নদীত ৰূপায়ণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে বানৰ সময়ত পানীত পৰা লোকক তৎকালীনভাৱে উদ্ধাৰ কৰা, তেওঁলোকক উপযুক্ত চিকিৎসা প্ৰদান আদি বিভিন্ন দিশ সামৰি অনুশীলন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে জড়িত সকলোবোৰ বিভাগে অংশগ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ **সু-শাসন সপ্তাহ**ৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত আজিৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ হৈছে। ইয়াৰ অংশ হিচাপে আজি চৰাইদেউ জিলাত বিভিন্ন কাৰ্যসূচীৰে **সু-শাসন সপ্তাহ** ২০২৪ উদযাপন কৰা হৈছে। প্ৰথম কাৰ্যসূচী হিচাপে জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা তথা কৰ্মশালাৰ আয়োজন কৰা হয়। চৰাইদেউ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞাৰ অধ্যক্ষতাত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

তামুলপুৰ জিলাতো **সু-শাসন সপ্তাহ**ৰ সৈতে সংগতি ৰাখি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, মহিলা আৰু শিশু কল্যাণ, শিক্ষা, দক্ষতা বিকাশ, সমাজ কল্যাণ আদি বিভাগে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এই সময়ছোৱাত সু-শাসনৰ সৈতে জীৱনৰ মান সম্পৰ্কীয় আলোচনা, চৰকাৰী কাম-কাজৰ পৰ্যালোচনা, স্বাস্থ্য সজাগতা শিবিৰ আৰু বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হ'ব। উল্লেখযোগ্য যে প্ৰশাসন যন্ত্ৰক স্বচ্ছ আৰু নিকা কৰাৰ লগতে গ্ৰামাঞ্চলৰ জনতাৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহৰ অন্যতম লক্ষ্য।

০০০০০

ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে বিদ্যালয় চলি থকাৰ সময়ছোৱাত শিক্ষকসকলক ব্যক্তিগত কামত সচিবালয়, সঞ্চালকালয়, জিলা কাৰ্যালয়, খণ্ড কাৰ্যালয় আদিলৈ যোৱাৰ পৰা বিৰত থাকিবলৈ সকলো শিক্ষককে নিৰ্দেশ জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ স্বাক্ষৰিত এই নিৰ্দেশটোত বিদ্যালয়ৰ সময়ৰ

পাছতহে শিক্ষকসকলে ব্যক্তিগত কামত এই স্থানবোৰলৈ যাব পাৰিব বুলি উল্লেখ কৰা হৈছে। বিদ্যালয়খন নিয়মীয়াকৈ চলি থকাৰ লগতে শৈক্ষিক নিয়মানুৱৰ্তিতা বজাই ৰখাৰ স্বাৰ্থত সকলোকে এই নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত কালি কোকৰাঝাৰত উপস্থিত হোৱা বিধানসভাৰ প্ৰতিনিধি দলটোৱে আজি কোকৰাঝাৰত থকা বিটিচি সচিবালয় পৰিদৰ্শন কৰে। দলটোৱে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিচি বিধায়িনী পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োকে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত অহা বছৰৰ ফেব্ৰুৱাৰীত কোকৰাঝাৰত হ'বলগীয়া এদিনীয়া বাজেট অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। ১১ গৰাকী বিধায়কসহ এই দলটোক বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে আদৰণি জনায়। তেওঁ লগতে কোকৰাঝাৰত এদিনীয়া কাৰ্যসূচীৰে বিধানসভা অধিৱেশন অনুষ্ঠিত কৰা বিষয়টোক ঐতিহাসিক বুলি মন্তব্য কৰে। ইয়াৰ পাছতে প্ৰতিনিধি দলটোৱে বিছমুৰীৰ পৰা সৰলপাৰা অভিমুখী আৰু ছাম্থাইবাৰীৰ পৰা ভূটান অভিমুখী পথটো পৰিদৰ্শন কৰে। কোকৰাঝাৰ ভ্ৰমণৰ অন্তত প্ৰতিনিধি দলটো চিৰাঙৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প পৰিদৰ্শন কৰিবলৈ ৰাওনা হয়।

ooooo

ওদালগুৰি জিলাৰ বৰঙাজুলি শ্ৰীমন্ত শংকৰদেৱ সত্ৰত আজি সত্ৰাধিকাৰ ভকত শিৰোমণি হৰেকৃষ্ণ মহন্ত বঁটা প্ৰদান অনুষ্ঠান আৰু তেওঁৰ ৯৮ সংখ্যক ওপজা দিন পালন কৰা হয়। প্ৰয়াত মহন্তই স্থাপন কৰা সত্ৰসমূহৰ ভিতৰত বৰঙাজুলি সত্ৰত মাত্ৰ বড়ো জনগোষ্ঠীৰ সত্ৰাধিকাৰ আছিল। পুৱাৰ ভাগৰ অনুষ্ঠানৰ পাছত পুৰী প্ৰকল্পৰ সভানেত্ৰী কণিকা পাঠকক ভকত শিৰোমণি হৰেকৃষ্ণ মহন্ত বঁটা প্ৰদান কৰা হয়।

ooooo

দক্ষিণ শালমৰা মানকাচৰৰ সাহাপাৰাত থকা সীমান্ত সুৰক্ষা বাহিনীৰ শিবিৰত আজি ৪৫ নম্বৰ বেটেলিয়নে দিনজোৰা কাৰ্যসূচীৰে বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰে। এই শিবিৰত সীমান্তৱৰ্ত্তী গাঁৱৰ ৫০০ৰো অধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধ বিতৰণ কৰা হয়। সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলৰ সৈতে সীমান্ত সুৰক্ষা বাহিনীয়ে সুসম্পৰ্ক ৰক্ষা বিশেষ কাৰ্যসূচীৰ অংশ হিচাপে এই স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। এনে পদক্ষেপসমূহৰ জৰিয়তে বাহিনীটোৱে সীমান্ত অঞ্চলত বিভিন্ন অপৰাধমূলক কাৰ্য প্ৰতিহত কৰি আহিছে।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জিকি ৱেষ্ট ইণ্ডিজে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। প্ৰতিযোগিতাত দুয়োটা দলেই এতিয়ালৈ একোখনকৈ খেলত জয়লাভ কৰিছে।

ooooo

সমাপ্ত